PLEASE HANDLE THE BOOK CAREFULLY

Year of Publication 1908

# কুৰি শতিকাৰ সভ্যতা।

শ্ৰীবেণুধৰ ৰাজখোৱা বি,এ,

দ্বাৰা লিখা।

Data Entered

প্ৰথম তাঙৰণ।

NOT TO BE ISSUED

কলিকাতা,

৬নং কলেজ-স্কোয়াৰ, সাম্যযন্ত্ৰে,

সেখ আবদুল লতিফ দ্বাৰা মুদ্ৰিত ও

প্ৰকাশিত।

DIBRUGARH H. S. KANOI COLLEGE LIBRARY.

১৯০৮।

বেচ ।৵[redacted] মাথোন।

LIBRARY
Accession No. 14,120
Call No. 891.45/RAJ.

# কুৰি শতিকাৰ সভ্যতা।

শ্ৰীবেণুধৰ ৰাজখোৱা বি,এ,
দ্বাৰা লিখা।

প্ৰথম তাঙ্গৰণ।

891.45
14120

কলিকাতা,
৬নং কলেজ-স্কোয়াৰ, সাম্যযন্ত্ৰে,
সেখ আবদুল লতিফ দ্বাৰা মুদ্ৰিত ও
প্ৰকাশিত।

১৯০৮।

*14120*

# পাতনি।

—:*:—

এই পুথিখনি ১৯০৫ চনত লিখা হৈছিল। তেতিয়াৰে পৰা ধোৱাঁ চাঙ্গত পৰি আছিল। এতিয়া চল বুজি, ৰাইজৰ আগত দাঙ্গি ধৰিলোঁ। গান বিলাক আগৈয়ে লিখা নাই এতিয়াহে লিখা হৈছে। এই পোৱালি পুথিখনিৰ পৰা যদি অসমীয়া "ষ্টেজৰ" এফেৰি মানো উপকাৰ হয়, তেনেহলেও মোৰ শ্ৰম সফল বুলি মানিম।

মঙ্গলদৈ।
২২এ জুলাই ১৯০৮ চন। } শ্ৰীবেণুধৰ ৰাজখোৱা।

# ভাৱৰীয়া।

——:*:——

| | | | |
|---|---|---|---|
| নীলধ্বজ | ... | ... | কুৰি শতিকাৰ সভ্য ডেকা। |
| গোবৰ্দ্ধন<br>সনাতন | ... | ... | নীলধ্বজৰ বন্ধু। |
| ভাস্কৰাচাৰ্য্য | ... | ... | নীলধ্বজৰ গোঁসাই। |
| বেদকণ্ঠ | ... | ... | নীলধ্বজৰ পুৰোহিত। |
| কেৰকৌ | ... | ... | এটা চোৰ। |
| বিষ্ণুপ্ৰিয়া | ... | ... | নীলধ্বজৰ মাক। |
| সত্যৱতী | ... | ... | নীলধ্বজৰ ঘৈনীয়েক। |

# কুৰি শতিকাৰ সভ্যতা।

## প্ৰথম অঙ্ক।

### ১ম দৰ্শন। ঘৰ।

( নীলধ্বজ আৰু কেৰকোৰ প্ৰবেশ )

কেৰকো।—

( ঝিঝিট মিশ্ৰ কাহাৰবা। )

দেউতা, কিয় কিলায় মোক।
খাব নেপাই, পেটুশুকায়, লাগিছে মোৰ ইমান ভাক॥
হাবদুডালি, ছাল বাকলি, কলেও লাগে শোক।
তেজ এটুপি, নেপায় চুপি, লিংলিঙ্গীয়া চিনা জোক॥
নেমাৰিব দেউতা এৰি দিয়ক।

নীলধ্বজ। কিয় এৰি দিম? তই জানো চুৰ কৰিবলৈ অহা নাই?

কেৰকো।—চুৰ কৰিবলৈ অহাটো সঁচা। কিন্তু মই বস্তু নিবলৈ নেপালোঁ নহয়।

নীলধ্বজ।—মই নেদেখা হলে নিলি হেঁতেন।

কেৰকো।—তেতিয়া মৰা হলে মই একো নকলোঁ হেঁতেন।

নীলধ্বজ।—ধৰা নপৰিলে কেনেকৈ মাৰিবলৈ পাম?

কেৰকৌ।—সেই বুলি দেউতা, এতিয়া বস্তু নিনিয়াকৈ মাৰিব নে? এনে কথা বৰ অন্যায়।

নীলধ্বজ।—এতিয়া নেমাৰিলে তোৰ আগলৈ সাহ বাঢ়ি যাব আৰু তেতিয়া যাৰে তাৰে বস্তু চুৰ কৰি সমাজ উচ্ছৃঙ্খল কৰিবি। এতেকে তোক এতিয়া দণ্ড দিয়া একো অন্যায় নহয়। তোৰ অভ্যাস নহবৰ নিমিত্তে তোক আগেয়ে সাৱধান কৰিব লাগে।

কেৰকৌ।—কৰি এঁটোৱা অপকৰ্ম্মৰ নিমিত্তে যি দণ্ড দিয়া হয়, সি হে ন্যায্য দণ্ড। দোষ কৰাৰ পাছত হে দণ্ড হব লাগে, সাৱধান কৰিবলৈ হলে নিৰ্দ্দোষী মানুহকো ধৰি দণ্ড কৰিব পাৰে। কিয়নো সিও আগলৈ চুৰ কৰিব পাৰে। দুষ্প্ৰবৃত্তি সকলোৰে অন্তৰত থাকে। বাহিৰত কাৰ্য্য নহলে দণ্ড হব নেলাগে। মই চুৰ কৰি বস্তু আঁতৰোৱা নাই যেতিয়া মোৰ দণ্ড হোৱা অন্যায়।

নীলধ্বজ।—বাৰু শাস্ত্ৰত কি লিখিছে? পাপৰ নিমিত্তে দণ্ড হব লাগেনে?

কেৰকৌ।—অৱশ্যে লাগে।

নীলধ্বজ।—পাপ কাম কৰিলেহে বেয়া নে, মনত চিন্তিলেও বেয়া?

কেৰকৌ।—দেউতা, মই চোৰ বুলিও শাস্ত্ৰ ভাগৱত জানো। পাপ কাম চিন্তিলেও বেয়া বুলি শাস্ত্ৰত লিখা আছে। সেই পাকত হলে মই দোষী বুলি মানিছোঁ।

নীলধ্বজ।—এৰা, চুৰ কেতিয়াও নকৰিবি আৰু এনে প্ৰবৃত্তি মনত ঠাই নিদিবি।

কেৰকৌ।—মই এনেই চুৰ কৰিবলৈ বিচৰা নাই। মই নিচেই নিমাথিত প্ৰাণী। লৰা তিৰোতা এবাহ। আপোনাৰ সম্পত্তি উভয়-নদী। মই তাৰে অলপ নি যদি মোৰ পৰিয়ালৰ প্ৰাণ ৰক্ষা কৰোঁ, চাবলৈ গলে সি একো বেয়া কাম নহয়। কিন্তু চুৰ কৰা পাপ, এইটো সঁচা। এতেকে মই দোষী বুলি স্বীকাৰ কৰিছোঁ।

নীলধ্বজ।—চোৰৰ এই পৃথিবীত যে দণ্ড হব, পৰলোকত যমৰ যাতনা হব।

কেৰকৌ।—দেউতা, মানিছোঁ চুৰ কৰা বৰ গৰ্হিত কাম। কিন্তু দুখীয়াক দান কৰাও এটা ধৰ্ম্ম। আপোনালোকৰ যেতিয়া যথেষ্ট সম্পত্তি আছে, দুখীয়াক দান কৰিলে অধলে নেযায়। চহকীয়ে দান নকৰে দেখিহে দুখীয়াই চুৰ কৰে।

নীলধ্বজ।—বাৰু যা যা। কাম কৰি খাবি। চুৰ নকৰিবি।

কেৰকৌ।—কাম কৰিবলৈও গাত বাৰটা ৰোগ। কি কৰিম, দেউতা। গাত ব্যাধি নথকা হলে, দেউতাই মোক ধৰাবো কেনেকৈ পেলালে হেঁতেন।

নীলধ্বজ।—খুজি মাগি খাবি।

কেৰকৌ।—খুজিলেও দেউতা সকলৰ টেকেলাই নিলগতে ভাবি হকি দি পঠিয়াই দিয়ে।

নীলধ্বজ।—বাৰু সেইটো বেলেগ কথা। তোক এতিয়া এৰি দিছোঁ, যাগৈ।

কেৰকৌ।—

জং লা—খেম্টা।

ভাল সাৰিলোঁ সাৰিলোঁ মই ভিৰাই লবি যাওঁ।
নেথাকোঁ নেথাকোঁ আৰু, হেকাই টিলিকি বাওঁ॥
সাৰিলোঁ বুঢাৰ চেঙ্গেলি, পলাওঁ পলাওঁ পলাওঁ॥

[চোৰৰ প্ৰস্থান।]

নীলধ্বজ।—আমাৰ মানুহে শাস্ত্ৰ ভাগৱতৰ নাম কলে যেনেকৈ কোনো কথা বুজিব পাৰে, আনদৰে কলে তেনেকৈ বুজিব নোৱাৰে। কিন্তু দৰাচলে পাপপুণ্য অৰ্থ শূন্য কথা। এই বিলাক কেৱল সামাজিক শৃঙ্খলৰ নিমিত্তে সৃষ্টি কৰা মানুহৰ ফাঁকি। কিন্তু সেই কথা ফাঁকি বুলি সমাজক বুজাই দিলে, সমাজত বিপ্লৱ ঘটিবৰ সম্ভৱ। এতেকে সাধাৰণ মানুহে যেনেকৈ বুজে, সিইঁতক সেই দৰে বুজাব লাগে। আৰু নিজৰ জ্ঞান-বিশ্বাস লোকক বুজাব নেলাগে। লোকক দান কৰা বৰ পুণ্য, এই বিলাক দীৰ্ঘ দৃষ্টি শাস্ত্ৰকাৰৰ ফাঁকিত বাজে আৰু আন কি হব পাৰে? এতিয়া বান্ধইঁতৰ ওচৰলৈ যাওঁ, চোৰটোৰ কথাকে কওঁগৈ।

[প্ৰস্থান।]

---

## ২য় দৰ্শন। আলিবাট।

(নীলধ্বজ, গোবৰ্দ্ধন আৰু সনাতনৰ প্ৰবেশ।)

নীলধ্বজ।—ভালেই হল, বাটতে লগ পালোঁ, তোমালোকৰ ঘৰলৈ যাওঁহে বুলিছিলোঁ।

গোবৰ্দ্ধন।—অঁহা, আৰু এজন নগৰীয়া পালো, ভাল হল।

নীলধ্বজ।—বাৰু, কালি ৰাতি এটা চোৰ আমাৰ ঘৰত চুৰ কৰিবলৈ গৈছিল মই সাৰ পাই উঠি ফচ্ কৰে তাক হাতত ধৰি বান্ধি পেলালোঁ। ৰাতিটো সি বন্ধাতেই থাকিল। ৰাতি পুৱা কিল গোটাচেৰেক মাৰি তাক এৰি দিলোঁ। ঈশ্বৰৰ ইচ্ছাত ধৰা নপৰ হলে, সি কালি নিশ্চয় চুৰ কৰিলে হেঁতেন।

সনাতন।—অকস্মাৎ ধৰা পৰিল স্বুবুলি ঈশ্বৰৰ ইচ্ছা বুলিছা কিয়?

নীলধ্বজ।—ঈশ্বৰৰ ইচ্ছাত নহলে অকস্মাৎ নো কেনেকৈ ধৰা পৰিব? মই যে সেই সময়ত সাৰ পালো, সেইটো নিতান্ত ঈশ্বৰৰ ইচ্ছা।

সনাতন।—ঈশ্বৰৰ ইচ্ছা নহৈ আন কথাও হব পাৰে।

নীলধ্বজ।—তেনেহলে এই সম্পৰ্কীয় ঘটনাৱলী বৰ্ণনা কৰোঁ শুনা—

১ম। মোৰ তেতিয়া ভাত ঘুমটি আহিছিল।

২য়। পৰ্শু ই ৰাতি মোৰ টোপনি থতি হৈছিল।

৩য়। মই আনকালে ৰাতি কোঢ়াল হলেও সেই সময়ত সাৰ নেপাওঁ।

৪র্থ। চোৰ সোমোৱা বাটৰ মুখত মই কালি একো বস্তু বেহানি থোৱা নাই।

৫ম। চোৰে প্ৰথমে আন বস্তুত হাত নিদি কাঁহৰ বস্তুত হাত দিয়া বাবে টংকৈ শব্দ হল।

৬ষ্ঠ। মই হাত দিয়েই দিয়াচেলাইটো পালোঁ।

এই বিলাক ঘটনাৰ পৰা চোৰ ধৰা পৰাটো ঈশ্বৰৰ ইচ্ছা স্বুবুলি কি বুলিব পাৰিদা?

গোবৰ্দ্ধন।—নিতান্ত সঁচা কথা। এওঁ এতিয়াও সংসাৰত সোমোৱা নাই। সেই দেখিছে এই বিলাক তর্ক বিতর্ক কৰে। সংসাৰী হলে আপুনি বুজিব পাৰিব।

নীলধ্বজ।—ঈশ্বৰৰ অস্তিত্ব তর্ক বিতর্কৰ বিষয় নহয়। ইয়াক কেৱল কাৰ্য্যৰ দ্বাৰা অনুভৱ কৰিব পাৰি। বান্ধ, মই তোমাক দঢ়াই দঢ়াই কওঁ, সকলো পাপ কৰিবা কিন্তু ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে সন্দেহ নকৰিবা। ফল কথা, ঈশ্বৰৰ অস্তিত্ব বিশ্বাস কৰিলেই, তুমি একো পাপ কাম কৰিব নোৱাৰিবা। আৰু সেয়ে হলেই তোমাৰ জীৱন ধন্য হব, তোমাৰ সুখ শান্তি দিনে দিনে বাঢ়ি যাব। বাৰু এতিয়া বেলি হল। ঘৰাঘৰি যাওহঁক।

[ গোবৰ্দ্ধন আৰু সনাতনৰ প্রস্থান। ]

ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে মোৰো ঘোৰ সন্দেহ আছে, তত্ৰাচ ঈশ্বৰ নাই বুলি লোকক শিক্ষা দিলে, দেশত ঘোৰ অৰাজকতা হব। এতেকে ভাবিছোঁ এক ৰকমে, কৰিছোঁ আন ৰকমে। এই বিলাক বৰ খেলি মেলি কথা।

বেহাগ—আড়খেম্‌টা।

খেলি মেলি ভাবে মোৰ ঢাকিছে হিয়া দুৱাৰ।
নেজানো জেউতি কিবা, নেজানো কিবা এন্ধাৰ॥
বুজিছোঁ হৃদয়ে যিটো,
আমেৰে নকৰোঁ সিটো,—
সন্দেহী অন্তৰ ৰাজ্য; উঠিছে কঁপনি তাৰ॥

[ প্রস্থান। ]

# দ্বিতীয় অঙ্ক।

---

## ১ম দৰ্শন। নামঘৰ

( ভাস্কৰাচাৰ্য্য আৰু নীলধ্বজ উপবিষ্ট। )

ভাস্কৰাচাৰ্য্য।—ডাঙৰীয়া, আপোনাৰ সজকুলত জন্ম হৈছে। নিজৰ কুলবৃত্তি কেতিয়াও নেৰিব। নীচকুলৰ লগত ব্যৱহাৰ নকৰিব।

নীলধ্বজ।—প্ৰভু, মই নীচকুলৰ লগত কেতিয়াও ব্যৱহাৰ কৰা নাই, আৰু কোনো কালে নকৰোঁ। বামুণ, ক্ষত্ৰিয় বৈশ্য, শূদ্ৰ এই জাতি বিভাগ ঈশ্বৰে আদিতে সৃষ্টি কৰি দিছে। ঈশ্বৰৰ নিয়ম, প্ৰভু, আমি কেনেকৈ লঙ্ঘন কৰিম।

ভাস্কৰাচাৰ্য্য।—সজ কথা। বামুণ ঈশ্বৰৰ মুখৰ পৰা, ক্ষত্ৰিয় বাহুৰ পৰা, বৈশ্য উৰুৰ পৰা আৰু শূদ্ৰ চৰণৰ পৰা উপজিছে, আপুনি এই বিলাক কথা বোধ কৰোঁ জানেই।

নীলধ্বজ।—হয় প্ৰভু। আদিতে চাৰি জাতিৰ সৃষ্টি কৰি ঈশ্বৰে আৰু অনেক জাতিৰ সৃষ্টি কৰিলে। একে জাতিৰ ভিতৰতে ওপৰ নামকৈ অনেক জাতিৰ সৃষ্টি হল। আপোনাৰ নিচিনা শুদ্ধ ব্ৰাহ্মণ সাধাৰণ ব্ৰাহ্মণৰ

লগত মুখৰ ঠিক একে ঠাইৰ পৰা কেতিয়াও ওপজা নাই।

ভাস্কৰাচাৰ্য্য।—সঁচা কথা। আপুনি পৰম ভকত। ভকত অনেক আছে, কিন্তু ডাঙ্গৰীয়া আপোনাৰ নিচিনা ভক্তি মাৰ্গ বুজা লোক অতি বিৰল।

নীলধ্বজ।—প্ৰভু, আপোনালোক মুখৰ ভিতৰৰ ওপৰৰ তালুৰ পৰা হৈছিল, ভট্টাচাৰ্য্যৰ ঘৰ দাতৰ পৰা হৈছিল, বসেন্ত্ৰৰ ঘৰ জিভাৰ পৰা হৈছিল খাঁৱৰ ঘৰ দাতৰ আলুৰ পৰা হৈছিল, আৰু মাবোৱাবিৰ ঘৰ মুখৰ নলিৰ পৰা হৈছিল। শূদ্ৰবো, প্ৰভূ, সেই দৰে অঁঠু, কলাফুল, নক গাঁথি এই দৰে বেলেগ বেলেগ ঠাইৰ পৰা সৃষ্টি, হৈছিল। আমাৰ ঘৰেই অঁঠুৰ পৰা হৈছিল। ই বিলাক কাকতীয়ে আমাৰ জোৰ দিব পাৰিবনে কি? কছাৰি, মিৰি, এই বিলাক ভৰিৰ আঙ্গুলী বিলাকৰ পৰা হৈছিল। চণ্ডাল ভৰিৰ তলুৱাৰ পৰা হৈছিল।

ভাস্কৰাচাৰ্য্য।—আপোনাৰ ভক্তিত মই বৰ সন্তুষ্ট হলোঁ। আপোনাক এই ধাৰি মালা দিলোঁ, শিৰত গ্ৰহণ কৰক। আজিৰ পৰা আপোনাক বৰ মেধিৰ খাব দিলোঁ। আপোনাক এতিয়া বিদায় দিয়া হৈছে, কাইলৈ বস্ত্ৰ কাৰণ দিম। এতিয়া আমাৰ পূজা সেৱাৰ সময় হল।

[ ভাস্কৰাচাৰ্য্যৰ প্ৰস্থান। ]

নীলধ্বজ।—

ঝিঝিট—একতালা।

বিচিত্র কুৰি শতিকা, গতি মতি একা বেঁকা,
জপোৰা হিয়া দুৱাৰ, বাহিৰে নেদেখি চেকা॥
হৃদয়ৰ ভাব-জাকি,
সভ্যতা-মাজে দি চাকি,
অপৰূপ মূৰ্ত্তি ধৰি, ভাষা ৰূপে দিয়ে দেখা॥

বিচিত্ৰ সভ্যতা! মই বৰ মেধি হলোঁ। মই জাতি বিভাগৰ কুসংস্কাৰ সমৰ্থন কৰিলোঁ। জাতি বিভাগৰ প্ৰকৃত অৰ্থ এই:— মনুষ্য জাতিক মানুহৰ শৰীৰেৰে সৈতে তুলনা কৰি কোৱা হৈছিল যে বামুণ মুখ অৰ্থাৎ সৰ্ব্বশ্ৰেষ্ঠ, ক্ষত্ৰিয় বাহু অৰ্থাৎ যোদ্ধা, বৈশ্য উৰু অৰ্থাৎ পৰ্য্যটক শূদ্ৰ চৰণ অৰ্থাৎ সৰ্ব্ব নিম্ন। এই বিলাক ৰূপক মাথোন। তথাপি মই নিজে জাতি বিভাগৰ কুসংস্কাৰ সমৰ্থন কৰিলোঁ। এতেকে সভ্যতা বাস্তবিকেই বিচিত্ৰ!

---

## ২য় দৰ্শন।—আলিবাট।

(নীলধ্বজ আৰু বেদকণ্ঠৰ প্ৰবেশ।)

নীলধ্বজ।—দেউ, ফাগুণত আমাৰ পিতৃশ্ৰাদ্ধ হৈছে। আপোনাৰ মনত থাকিব পায়।

বেদকণ্ঠ।—ডাঙৰীয়া, কিয় নহব। অনুমতি কৰিলেই হয়।

নীলধ্বজ।—দেউ, এই বাৰ অলপ সমাৰোহেৰে শ্ৰাদ্ধটি কৰিব খুজিছোঁ। বহুত যো—যা—কৰিব লাগিব।

বেদকণ্ঠ।—ভাল, কৰা হব। আৰু এনে কাৰ্য্যৰ নিমিত্তেহে

সংসাৰত পুত্ৰৰ আৱশ্যক। ডাঙৰীয়া আপোনাৰ জীৱন ধন্য বুলিব লাগে।

নীলধ্বজ।—দেউ, আজি গোঁসাই ঈশ্বৰে আমাক বৰ মেধি পাতিছে।

বেদকণ্ঠ —উত্তম কথা। আপোনাৰ নিচিনা মানুহ বৰ মেধি নহৈ নো—আৰু কোন্ হব।

নীলধ্বজ।—দেউ মোক অথনিকৈ লগ পাব। শ্ৰাদ্ধৰ নিমিত্তে বস্তুৰ এটি তালিকা যুগুত কৰিব লাগে।

বেদকণ্ঠ। আপোনাৰ পিতৃ অতি আনন্দেৰে স্বৰ্গত বাস কৰিছে, আৰু দুই হাত দাঙ্গি আপোনাক আশীৰ্ব্বাদ কৰিছে। ধন্য ধন্য, সজ পুত্ৰ। ভাল ডাঙৰীয়া, মই অথনি কৈ দেখা কৰিম গৈ।

[ বেদকণ্ঠৰ প্ৰস্থান ]

নীলধ্বজ।—

বেহাগ—দাদৰা।

কপট আচাৰ, কপট বিচাৰ,
কপটতা সমাজ বিধি।
কপট ধৰম, কপট কৰম,
কপটতা মুক্তি সিদ্ধি॥
কপট কথাত, কপট বাৰ্ত্তাত,
কুৰি শতিকাৰ বৃদ্ধি।
কপট নীতি, কপট ৰীতি,
কপটতা শান্তি শুদ্ধি॥

পৃথিৱীত পিণ্ড দিলে যে মৰালোকে খাবলৈ পায়, এনে সম্ভৱ নহয়। সেই দৰে হলে বিদেশলৈ যাওঁতে খোৱা বস্তু লগতলৈ নগলেও হব ; কিয়নো ঘৰত আহাৰ যোগালেও বিদেশত তেওঁৰ তৃপ্তি হব। আৰু পিণ্ড খাবলৈ, মৃত্যুৰ লগতে আত্মাৰ নিবৃত্তি হয়। মৃত্যুৰ পাছতো আত্মা যে আকৌ আন এক অৱস্থাত থাকে, সেইটো মোৰ বিশ্বাস নহয়। তথাপি সমাজৰ নিমিত্তে শ্ৰাদ্ধবিধি কৰিব লগীয়া হৈছে। এই বিলাক নিতান্ত কপট আচাৰ, আৰু কপটতাই সভ্যতা!

[ প্ৰস্থান। ]

# তৃতীয় অঙ্ক।

## ১ম দর্শন।—ঘৰ।

( নীলধ্বজ উপবিষ্ট। )

নালধ্বজ।—লাহে লাহে মোৰ মনত বিকাৰ দেখা দিছেহি। তেনে নহবনো কিয় ? মোৰ জ্ঞান বিশ্বাস হৈছে এক, কাৰ্য্য হৈছে আন। ভাবিছো এক ৰকমে, কৰিছোঁ আন ৰকমে। মিছা কথা, কপট আচাৰ, এই বিলাক মোৰ অঁঠপৰীয়া লগৰীয়া হৈছে। ভণ্ডামি আচৰণ কৰি মোৰ মনুষ্যত্ব লোপ পালে। মই আৰু ভণ্ডামি আচৰণ নকৰোঁ, মিছা কথা নকওঁ। মোৰ জ্ঞান বিশ্বাস যেনেকুৱা, কাৰ্য্যও তেনেকুৱা হোৱাত আপত্তি কি ? জানিছোঁ তেনে কৰিলে মই সমাজ স্খলিত হম। কিন্তু তাৰ নিমিত্তে কিহৰ ভয় ? জানিছোঁ তেনে কৰিলে মোৰ মান, সম্ভ্ৰম, ধন, সম্পত্তি সকলো নাশ পাব। কিন্তু জঘন্য মিছা কথা কোৱাতকৈ, গৰ্হিত কপটতা আচৰণ কৰাত কৈ, তাকো ভাল বুলিব লাগে। যদি সভ্য হৈছোঁ, তেনেহলে সভ্যতা আচৰণ কৰিবলৈ, সভ্যতা শিক্ষা দিবলৈ সাহ কৰিব লাগে। ফলাফল বিচাৰিব নেলাগে। আজিৰ পৰা মোৰ কাৰ্য্য নতুন ধৰণৰ হব। কিন্তু বিশ্বাস আৰু কাৰ্য্য একে হব।

সুৰট খাম্বাজ—কাওৱালী।

কিয় এনে দীন দশা, আজি হিয়া ভিতৰে।
শোকত আতুৰ প্ৰাণ পখী, ঘনে ঘনে চিঞৰে॥
পিন্ধিছোঁ সভ্যতা মুখা, এৰিছো প্ৰকৃতি উকা,
বেগী সোঁতে নিছে উটাই, মৃত্যু হব ঠাৰবে॥
নেলাগে কপটাচাৰ, এৰিলো ভাওনা তাৰ,
সৰল প্ৰকৃতি ধৰি, ফুৰিম এই সংসাৰে,
অন্তৰে বাহিৰে মিলি,—অকপটী ইদৰে॥
আইএ মতিছিল, তেওঁৰ ওচৰলৈ যাও।

[ প্ৰস্থান ]

---

## ২য় দৰ্শন। অন্তঃপুৰ।

( বিষ্ণুপ্ৰিয়া উপবিষ্ট নিলধ্বজৰ প্ৰবেশ। )

নীলধ্বজ।—আই কিয় মাতিছিল ?

বিষ্ণুপ্ৰিয়া।—বোপা, এতিয়া মই বুঢ়ী হলোঁ। মৰিবলৈ আৰু সৰহ দিন নাই। যদি মাৰাঁৰ অলপো ধাৰ শুজিব খুজিছা, তেনেহলে মোক এবাৰ তীৰ্থলৈ নৈযোৱাঁ।

নীলধ্বজ।—আই, তীৰ্থলৈ যোৱাৰ একো সকাম নাই। মিছা কষ্ট আৰু ধন খৰছ মাথোন।

বিষ্ণুপ্ৰিয়া।—সিমানটো কাৰ্য্যকে যদি কৰিবলৈ আগ নেবাঢ়া, তেন্তে তোমাক জন্ম দিয়া মোৰ অসাৰ্থক হল। তোমাৰ নিমিত্তে মই কত কষ্ট কৰিলোঁ, এতিয়া মোৰ নিমিত্তে অলপ কৰাঁ।

নীলধ্বজ :—অলপ নেলাগে মই যৎপৰোনাস্তি কষ্ট কৰিবলৈকে

মান্তি আছোঁ, যদি সেই কষ্টৰ পৰা তোমাৰ অলপো উপকাৰ হয়।

বিষ্ণুপ্ৰিয়া।—ধন খৰছ হয় বুলি তুমি মোক ইমান বোৰ কথা কৈছা। মোৰ হাতৰ কাণৰ যি আছে, তাকে এঠাইত সোঁতা থৈ ৰূপ কেইটকা মান আনি দিয়াঁ। মই গাওঁৰ মানুহৰ লগ ধৰি যাম, তুমি লগত যাব নেলাগে।

নীলধ্বজ।—আই আপুনি মোৰ কথা বুজিব পৰা নাই।—তীৰ্থ ফুৰিলে, যে পুণ্য হয় বুলি কয়, সেইটো মিছা কথা।

মূলতান—আড়াঠেকা।

জানিব হে আইমোৰ, জগন্নাথ মিছা চৌ।
মানি লব, গঙ্গা মাতৃ, পানীৰে হে ঔ॥
গয়াধাম পাওাৰ পিণ্ড, কাশী হে পাপৰ ভাণ্ড,
শাস্ত্ৰ ভাগৱত যত, ফাঁকি-পৰা মৌ॥

[ বিষ্ণুপ্ৰিয়া মূৰ্চ্ছিত হয় ] *

নীলধ্বজ।—

বেহাগ—মধ্যমান।

কি হল কি হল! কিয় এনে হল, কিয় নো আই মূৰ্চ্ছা গল।
( আই হে, চেনেহী আই! )
সভ্যতা সোঁতত, আজি মই বিভত, কনা মূনা সাঁতুৰিলোঁ।
চেনেহৰ আই, জীৱন এৰি যায়, এনে হব নুবুজিলোঁ॥
জোনাকী জেউতি, লভি কেনে শান্তি, আছিলা নিবলে আই।
সভ্যতাৰ বেলি, লাগি এই বেলি, কোবাই পেলালে হায়॥

সর্ব্বনাশ! সচাঁ কথাৰ এয়ে নে পৰিনাম। মোৰ মৰমৰ আইৰ এনে দশা হল। এনে অৱস্থাত মোৰ কি কর্ত্তব্য পাছত ভাবি ঠিক কৰিম। সম্প্রতি ই বোৰ সি বোৰ এৰি আইক কোনো মতে সুস্থ কৰিব লাগে। (টানকৈ মাতি) আই, আই, আই।

[ বিষ্ণুপ্রিয়া মূর্চ্ছা ভাগি বহে ]

বিষ্ণুপ্রিয়া।—

ঝিঝিট—খাম্বাজ—খেমটা।

নসহে নসহে মোৰ এনুৱা বিষ যাতনা।
নহবা হে মাতৃঘাতী, নেমাবা ইদৰে পোনা॥
কুমতি কুবুদ্ধি দেহি, কোনে দিলে তোমাক আহি।
এনে কথা নকবা দেই, আজিৰ পৰা আৰু সোণা॥
পুৰণি টোকাৰি ধ্বনি, কেনে শান্তি পাওঁ শুনি।
নেলাগে মোক দেৱভাষী, অচিনাকী নতুন বীণা॥
বোপা, আজি তোমাক এনে কুমতি কোনে দিলে?

নীলধ্বজ।—আই, আপুনি কিয় বেজাৰ কৰিছে। মই একো বেয়া কথা কোৱা নাই। তীর্থ ফুৰিলে নিশ্চয় পুণ্য হয়। কিন্তু যাত্রী বিলাকক পাণ্ডাই ফাঁকি দি, যেনেকৈ পূজা দিব লাগে তেনেকৈ নিদিয়ায়। সেই কাৰণে সেই বিলাক কথা কৈছিলোঁ।

বিষ্ণুপ্রিয়া।—বোপা, আটাইয়ে কেনেই ফাঁকি দিব। ভাল মানুহ নাইকিয়া হৈছেনে? আৰু ফাঁকি দিলেও আমাৰ তাত একো হানি নাই। যি ফাঁকি দিয়ে তাৰহে বেয়া।

নীলধ্বজ।—আই, সেইটো সঁচা কথা। কিন্তু কলিত ৰাম নামেই সাৰ বুলি লিখিছে।

"ৰাম নাম এই দুগুটী অক্ষৰ জিহ্বা অগ্রে থাকে যাৰ।
গঙ্গা গয়া কাশী প্রয়াগ সেতুক যাইবাক নলাগে তাৰ॥"

ভূপালী—কাওৱালী।

কলিত হৰি নাম সাৰ, হৰি নাম হৰি নাম।
হৰি হৰি হৰি বুলি, পাব লোকে স্বৰ্গধাম॥
যি ওৰেও হৰি বোলে, শঙ্কানাই তাৰ কোনো কালে।
তীৰ্থযাত্রা পিণ্ডদান, নেলাগে তাৰ শ্রাদ্ধ কাম॥
য'ত হৰি হৰি বোলে, যত তীৰ্থ তাতে মিলে,
সৰ্ব্বসিদ্ধি দাতা হৰি, হৰি-ভক্তি অনুপাম॥

বিষ্ণুপ্রিয়া।—হয় বোপা সিও কথা সঁচা। তথাপি যিটো চলিত হইছে, সকলোৱে কৰে, আমিও কৰিব লাগে।

নীলধ্বজ।—বাৰু আই, কেতিয়াটৈক সুবিধা হয়, এটা দিন ঠিক কৰিব লাগে। বলক এতিয়া অলপ শুই থক গৈ। তেহে গা ভাল পাব।

[ উভয়ৰ প্রস্থান ]

# চতুৰ্থ অঙ্ক।

১ম দৰ্শন। ঘৰ।

(নীলধ্বজ উপবিষ্ট)

নীলধ্বজ।—

পূৰবী—আড়া।

অন্তৰ ৰাজ্যত হাঁয়, বিষম যাতনা আজি।
প্ৰাণ কণ্ঠাগত মোৰ, চোৱাঁহে সভ্যতা বাজি॥
মৰিলোঁ মৰিলোঁ মই,
জীৱন নিৰাশা ময় ;
নোৱাৰোঁ থাকিব আৰু, কপটতা সাজে সাজি॥
বিচিত্ৰ কুৰি শতিকা,
কপট ছঁয়াৰে ঢকা ;
সভ্যতাৰ তত্ত্ব কিবা, হোৱা নাই বুজা—বুজি॥

এতিয়া মোৰ অথিৰ অবিৰ অৱস্থা। সঁচা কথা কবলৈ ঠিক কৰিছিলোঁ, কিন্তু তাৰ পৰিণাম শোচনীয় হল। সভ্যতাৰ খুণ্ডাত আজি মোৰ প্ৰাণ সঙ্কটাপন্ন। তথাপি যতদূৰ পাৰি সঁচা কথা কোৱাইহে যুগুত। নহলে মোৰ মনোবাক্য অবাধক হৈ হুলস্থূল হব। তাৰ আৰু কাৰ্য্যৰ সামঞ্জস্য নেথাকিলে মনুষ্যত্ব লোপ পাব। য'ত নোৱাৰি ত'ত কপটীয়া হব লাগিব; কিন্তু সাধাৰণতঃ সৰল হবলৈ শিকিব লাগিব। এই দৰে গৈ শেহত মোৰ বুকত সাহ হৈ কি জানি সভ্যতাৰ জয় কৰিব পাৰিম। ল'ৰাটিৰ আজি কেইবা

দিনৰে পৰা নৰিয়া হইছে। ভিতৰলৈ যাওঁচোন, এতিয়া কেনে কৰিছে, চাওঁ গৈ।

[ প্ৰস্থান। ]

---

## ২য় দৰ্শন। অন্তঃপুৰ।

( নীলধ্বজ আৰু সত্যৱতীৰ প্ৰবেশ )

নীলধ্বজ।—ল'ৰাটিৰ নৰিয়া কেনে হৈছে ?

সত্যৱতী।—নৰিয়া ভাল হৰ ছাবি দিনেকে দিনে টান হৈহে আহিছে। সোঁৰৰনী থনো চোৰাব চিতাব লাগে। * বামুণক কি হয় দান দিব লাগে আপুনি দেখোন একো কানশাৰ নকৰে।

নীলধ্বজ।—সোৱঁৰণী চোৱাবলৈ কৈছা, চোৰাব পাৰোঁ, আৰু দান দক্ষিণাও কৰিব পাৰোঁ। কিন্তু মোৰ হলে এই বিলাকত সমুলি বিশ্বাস নাই। ভালকৈ ডাক্তৰৰ হতুৱাই চিকিৎসা কৰোৱাঁ, ইয়াত বাজে মই একো নেজানো।

সত্যৱতী।—আপুনি মোৰ মনটো কেলৈ বেয়া লগাই দিছে? আপুতি নিজে নেমানিলেও মোক মানিবলৈহে কব লাগে। সেই বিলাক কৰিয়েই মই মন পতিয়াই থাকোঁ নহয়। আৰু ডাঙৰ বিপদ হলেও, নাম কীৰ্ত্তন কৰিয়েই তেঁও মনত অলপ শান্তি পাই থাকোঁ। আপুনি মোক ভেদ ভাঙি দেখুৱাব নেলাগে। * আপুনি সভ্য হৈছে, নিজে হওক। আমি গাৱঁলীয়া চহা, নিজৰ ধৰ্ম্মত থাকিম। আপোনাৰ তাত থিয়াল

লাগিব লাগিছে কেলৈ ? আজি যি এনে কথা কলে, আৰু কেতিয়াও নকৰ।

তুৰুস্থৰ—একতাল।

কিয়নো কঠুৱা, কথা এনেকুৱা,
ক'লে আজি প্ৰাণধন।
মোৰ শান্তি ঘৰ, ভাঙ্গি পেলাবৰ,
কিয়নো কৰিছে মন॥
মই অশিক্ষিতা, প্ৰকৃতি দুহিতা,
নুবুজোঁ সভ্যতা মৰ্ম্ম।
চহা গাৱঁলীয়া, তিৰী অসমীয়া,
নেজানো উন্নত ধৰ্ম্ম।
ভাৰত পুৰাণ, সমাজ—বিধান,
ইয়াকেহে জানো মই।
জুপুৰি বহাটি, সাজোঁ পৰিপাটী,
ভাঙ্গি নেপেলাব দেই॥

মোৰ বোপাইৰ এনে নবিয়া, আপুনি আহি ভাল কথা কওক ছাবি মোক এই বোৰ অমঙ্গলীয়া কথা কৈছে হি। আপুনি এতিয়াই সোৱঁৰণী থন লৈ যক, ভালকৈ চোৱাই আনক গৈ। মই ল'বা এৰি থৈ আহিছোঁ, যাওঁ।

[ সত্যৱতীৰ প্ৰস্থান ]

নীলধ্বজ :—গালি পাবিৱও পায় হয়। মোৰ মন অথিৰ অৰিৰ হল। যাওঁ সোৱঁৰণী থন চোৱাই আনো গৈ।

[ প্ৰস্থান। ]

# পঞ্চম অঙ্ক।

## ১ম দৰ্শন। ঘৰ।

( নীলধ্বজ উপবিষ্ট )

নীলধ্বজ।—

লুম্ ঝিঝিট্—পোস্তা।

চোঁৱা চোঁৱা হেৰা সভ্য, কুৰি শতিকাৰ ডেকা ;
পালোঁ মই এই বেলি, সভ্যতাৰ কেনে সেকা।
আজি মোৰ ক্ষীণ প্ৰাণ,
ছিগি ভাগি থান্ বান্ ;
হেৰুৱালোঁ ধৈৰ্য্য শক্তি, বুদ্ধি মোৰ একা-বেঁকা।
কৰিলো বিহৰ বেহা,
জৰ্জ্জৰিত মন দেহা ;
সভ্যতা জেউতি পৰি, হিয়া জুৰি লাগে চেকা॥

সভ্যতাৰ চেপাত মোৰ বুকুৰ হাৰ ভাগিল—মোৰ মূৰৰ মগজু লৰিল—মোৰ মনৰ বটিয়া ছিগিল। ভাবিছিলোঁ, সভ্য শ্ৰেণীত উঠি উন্নতি সাধন কৰিম। কিন্তু এতিয়া দেখিছোঁ, এই সভ্যতাৰ পৰা মোৰ মনৰ বিভ্ৰম ঘটিল, আৰু অন্তৰ-বাহ্য শক্তি ৰহিত হৈ ভাগি ছিগি গ'ল। মিছা কথা মোৰ ভাত মাছ হল—কপটতা মোৰ তামোল ধপাত হল। ভণ্ডামি মোৰ ল'ৰাৰ ধুলি খেল হল, ব্যভিচাৰ মোৰ গাৰ ছাঁ হল।

মনুষ্যত্ব মোৰ নাই কিয়া হল। হাঁয়, হাঁয় ময় কি নৰাধম। মোৰ আইৰ গাৱলীয়া ধৰ্ম্মত হাত দিছিলোঁ—মোৰ তিৰোতাৰ চহা বিশ্বাসত হকা বধা কৰিছিলোঁ। মই এতিয়া বেচকৈ বুজিলোঁ, গাৱলীয়া ধৰ্ম্মই শ্ৰেষ্ঠ ধৰ্ম্ম। যদি দৰ্শন আৰু বিজ্ঞানৰ পৰা অসুখ আশাঁতি হয়, তেনেহলে সেই দৰ্শন আৰু বিজ্ঞানৰ মূল্য কি, কোনে কব পাৰে? গাৱঁলীয়া পুৰাণ "ছাৰস্ত" তাত্‌কৈ ওখ থাপৰ নহল নে? কীৰ্ত্তন, ঘোষা আদি চহা পুথি তাত্‌কৈ শ্ৰেষ্ঠ নহল নে? সৰল সুখ যদি কৰবাত আছে তেনেহলে সি গাৱলীয়া ধৰ্ম্মত—মনৰ শান্তি যদি কৰবাত আছে, তেনেহলে সি চহা বিশ্বাসত। যদি শান্তি জীৱনৰ উদ্দেশ্য হয়, তেনেহলে কুসংস্কাৰ শিকিব লাগে। মোৰ মনেৰে যাৰ এনে সুখৰ কুসংস্কাৰ আছে, সি সভ্য হবলৈ যোৱা মুৰ্খালি মাথোন। যি সভ্য হৈ লোকক সভ্য কৰিব খোজে, তাক সমাজ দ্ৰোহী বুলিব লাগে। সজা ঘৰ ভাঙ্গি সেই ঠাইত নতুন ঘৰ সাজি নি দিয়াটো অধৰ্ম্ম নহয় নে? জুপুৰি ঘৰ ভাঙ্গি পেলাইছা পেলোৱাঁ, কিন্তু যদি তাকো ভাঙ্গি পেলালা, ই পোনে পকি ঘৰো সাজি দিব নোৱাৰিলা, তেন্তে গিৰিহঁতে ব'দ বতাহ বৰষুনত আধা মৰা নহবনে? হাঁয়, হাঁয়, মোৰ আগৰ ঘৰ গল— কিন্তু নতুন ঘৰ নেপালোঁ। মোৰ পজাঁ ঘৰৰ ধৰ্ম্ম লুকাল, কিন্তু পকি ঘৰৰ ধৰ্ম্ম বিচাৰি নেপালোঁ।

মোৰ প্ৰাণ এতিয়া চট্‌ফটাব লাগিছে। এয়ে সভ্য দেশৰ সভ্য ধৰ্ম্ম—ইয়াকেই কুবি-শতিকাৰ সভ্যতা বোলে।

কীৰ্ত্তন—যাত্ৰাসুৰ।

দেহি ঐ দেহি, কিনো মোৰ বিলাই, বুৰিলোঁ বুৰিলোঁ হাঁয়।
সভ্যতা সাগৰৰ ঢৌ, কৰিছে থৌকি বাথৌ,
হেৰা চোৱাঁ চোৱাঁ সৌ ;—
আজি দুখীয়া একেটি জীৱন, উটি বুৰি মৰি যায়॥
দুৰন্ত সভ্যতা বাৱ, কাঢ়িছে সঘনে বাৱ,
—অলিয়া বলিয়া ভাৱ ;
আজি মৰমৰ এখনি তৰী, নিমিষতে বুৰি যায়॥

( যবনিকা পতন )

———

DIBRUGARH KANOI COLLEGE
LIBRARY
Accession No.
14120